**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-01-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে জিনম ইণ্ডিয়া প্ৰকল্পই দেশৰ জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত এক বিশেষ মুহূৰ্ত চিহ্নিত কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুদিনীয়া ভ্ৰমণসূচীৰে গৃহৰাজ্য ওড়িশাত উপস্থিত হৈছে।

৩। মহাকুম্ভ ২০২৫ৰ বাবে উচৰ্গিকৃত আকাশবাণীৰ কুম্ভবাণী চেনেল কাইলৈ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মুকলি কৰা হ'ব।

৪। পৰীক্ষা পে চৰ্চা ২০২৫ৰ অষ্টম সংস্কৰণৰ বাবে সমগ্ৰ দেশ আৰু বিদেশৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ পৰা ২ কোটি ৭০ লাখৰো অধিক পঞ্জীয়ন লাভ কৰা হৈছে।

*আৰু*

৫। মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি ভাৰতৰ শ্বাটলাৰ এইছ্ এছ্ প্ৰণয় চীনৰ প্ৰতিদ্বন্দ্বীৰ পৰাজিত হয়।

oooooooo

বিভিন্ন গোলকীয় সমস্যা সমাধানৰ বাবে বিশ্বই ভাৰতৰ মুখলৈ চাই আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। নতুন দিল্লীত আজি অনুষ্ঠিত জিন'মিক্স ডাটা কনক্লেভত প্ৰধানমন্ত্ৰীগৰাকীয়ে এটা ভিডিঅ' বাৰ্তাযোগে উল্লেখ কৰে যে জিনম ইণ্ডিয়া প্ৰকল্পই দেশৰ জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত এক বিশেষ মুহূৰ্ত চিহ্নিত কৰিছে। তেওঁ উল্লেখ কৰে যে জৈৱ অৰ্থনীতিয়ে বহনক্ষম উন্নয়নৰ গতি প্ৰদান কৰে। বিগত ১০ বছৰত দেশত জৈৱ অৰ্থনীতিৰ বিকাশ বৃদ্ধি পাইছে। তেওঁ কয় যে ২০১৪ চনত দেশত জৈৱ অৰ্থনীতিৰ মূল্য আছিল ১০ বিলিয়ন ডলাৰ। এতিয়া ই ১৫০ ডলাৰতকৈও অধিক বৃদ্ধি পাইছে। শ্ৰীমোদীয়ে কয় যে যোৱা ১০ বছৰত দেশত গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। তেওঁ আৰু কয় যে দেশৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে বহুসংখ্যক লোকক বিনামূলীয়া স্বাস্থ্যসেৱাৰ সুবিধা প্ৰদান কৰা হৈছে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুদিনীয়া ভ্ৰমণসূচীৰে গৃহৰাজ্য ওড়িশাত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীক ৰাজ্যখনৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ৰাজ্যপাল হৰিবাবু কাম্ভামপটি আৰু মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলে আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ১৮ সংখ্যক প্ৰবাসী ভাৰতীয় সন্মিলনত অংশগ্ৰহণ কৰিব। ভুৱনেশ্বৰৰ জনতা ময়দানত ভাৰত  আৰু ওড়িশা চৰকাৰৰ যুটীয়া উদ্যোগত অনুষ্ঠিত প্ৰবাসী ভাৰতীয় সন্মিলনত ৭৫খন দেশত থকা প্ৰায় ৬ হাজাৰ প্ৰবাসী ভাৰতীয়ই অংশগ্ৰহণ কৰে। এই সন্মিলনতে

ৰাষ্ট্ৰপতিগৰাকীয়ে বিভিন্ন ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰা ১৭গৰাকী প্ৰবাসী ভাৰতীয়ক, প্ৰবাসী ভাৰতীয় সন্মান আগবঢ়াব।

oooooooo

এই বছৰৰ গণৰাজ্য দিৱসৰ কুচকাৱাজ উপভোগ কৰিবলৈ প্ৰায় ১০ হাজাৰ বিশেষ অতিথি আমন্ত্ৰণ জনোৱা হৈছে। এই বিশেষ অতিথিসমূহৰ ভিতৰত আছে পঞ্চায়ত গাঁওপ্ৰধান, দুৰ্যোগ সাহায্য কৰ্মী, জলযোদ্ধা, হস্ততাঁত আৰু হস্তশিল্পৰ শিল্পীসকল, মন কী বাতৰ অংশগ্ৰহণকাৰীসকল, মাই-ভাৰতৰ স্বেচ্ছাসেৱীসকল, উত্তৰ-পূব ভাৰতৰ অতিথিসকল আৰু ষ্টাৰ্টআপৰ সদস্যসকল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয় যে আমন্ত্ৰিত অতিথিসকলৰ একাংশই আত্ম-সহায়ক গোটৰ জৰিয়তে আয় আৰু কৰ্মসংস্থাপন সুনিশ্চিত কৰাৰ ক্ষেত্ৰত দৃষ্টান্তমূলক কাম কৰি আছে। পেৰা অলিম্পিক দলৰ সদস্য, দবা অলিম্পিয়াডৰ মেডেল বিজয়ী, বিশ্ব ব্ৰীজ গেমছৰ ৰূপৰ পদক বিজয়ী আৰু স্নুকাৰ বিশ্ব চেম্পিয়নশ্বিপৰ সোণৰ পদক বিজয়ীসকলকো বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। মন্ত্ৰালয়ে লগতে কয় যে এই বিশেষ অতিথিসকলে ৰাষ্ট্ৰীয় যুদ্ধ স্মৃতি সৌধ, প্ৰধানমন্ত্ৰী  সংগ্ৰহালয় আৰু দিল্লীৰ অন্য বিশেষ স্থানসমূহ পৰিদৰ্শন কৰিব।

oooooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে শক্তিৰ ক্ষেত্ৰত ভাৰত আমদানিকাৰী দেশৰ পৰা ৰপ্তানিকাৰী দেশলৈ পৰিৱৰ্তিত হ'ব লাগিব। মধ্য প্ৰদেশৰ পিঠামপুৰত নেশ্যনেল অটোম'টিভ টেষ্ট ট্ৰেকত আয়োজিত অনুষ্ঠানত তেওঁ কয় যে ভাৰতে নিৰন্তৰ বিকল্প শক্তিৰ উৎসৰ প্ৰচাৰৰ বাবে কাম কৰি আহিছে। হাইড্ৰজেনক ভৱিষ্যতৰ ইন্ধন বুলি অভিহিত কৰি তেওঁ কয় যে চৰকাৰ আৰু বিভিন্ন অটোম'বাইল কোম্পানীসমূহে এই ক্ষেত্ৰত কাম কৰি আহিছে। দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অটোম'বাইল উদ্যোগৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই খণ্ডই ৪ কোটি ৫ লাখতকৈও অধিক সংস্থাপনৰ সৃষ্টি কৰিছে।

oooooooo

ছত্তীশগড়ৰ ছুকমা জিলাত আজি নিৰাপত্তাৰক্ষী আৰু মাওবাদীৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। আমাৰ সংবাদদাতাই জনোৱা মতে ছুকমা আৰু বিজাপুৰ জিলাৰ সীমান্তৰ এখন অৰণ্যত নিৰাপত্তাৰক্ষীয়ে মাওবাদীৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত এই সংঘৰ্ষৰ সূত্ৰপাত হয়। জিলা ৰিজাৰ্ভ গাৰ্ড, বিশেষ টাস্ক ফোৰ্চ আৰু কোব্ৰা কামাণ্ডোই চলোৱা এই অভিযানত তিনিজন মাওবাদী নিহত হৈছে।

oooooooo

বিজেপিৰ সভাপতি জগত প্ৰকাশ নাড্ডাই আজি দলৰ দিল্লী নিৰ্বাচন পৰিচালনা সমিতিৰ সৈতে বৈঠকত মিলিত হয়। নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত বিধানসভা নিৰ্বাচনৰ বাবে দলৰ কৌশলসমূহ বিবেচনা কৰা হয়। এই বৈঠকত দিল্লী বিজেপিৰ মুৰববী বীৰেন্দ্ৰ সচদেৱ, দলৰ ভাৰপ্ৰাপ্ত কৰ্মী বিজয়ান্ত জয় পাণ্ডাৰ লগতে অন্যান্য নেতাসকল উপস্থিত থাকে। শ্ৰীসচদেৱে কয়, যে এই বৈঠকত শ্ৰীনাড্ডাই নিৰ্বাচনৰ প্ৰস্তুতিৰ মূল্যায়ন কৰি পৰামৰ্শ আগবঢ়ায়। তেওঁ দিল্লীত আপে অবৈধ ভোটাৰৰ পঞ্জীয়নৰ চেষ্টা কৰিছে বুলি অভিযোগ তোলে।

oooooooo

মহাকুম্ভ ২০২৫ৰ বাবে উচৰ্গিকৃত আকাশবাণীৰ কুম্ভবাণী চেনেল কাইলৈ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মুকলি কৰা হ'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই চেনেল মুকলি কৰিব। কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰণ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানো এই মুকলি অনুষ্ঠানত ভাৰ্চুৱেলি অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে কুম্ভ মংগল ধুন মুকলি কৰিব। এই চেনেলটোৱে কাইলৈৰ পৰা অহা ২৬ ফেব্ৰুৱাৰীলৈ মহাকুম্ভ মেলাৰ সকলো কাৰ্যসূচী পুৱা ৫ বাজি ৫৫ মিনিটৰ পৰা নিশা ১০ বাজি ৫ মিনিটলৈ প্ৰচাৰ কৰিব।

oooooooo

পৰীক্ষা পে চৰ্চা ২০২৫ৰ অষ্টম সংস্কৰণৰ বাবে সমগ্ৰ দেশ আৰু বিদেশৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ পৰা ২ কোটি ৭০ লাখৰো অধিক পঞ্জীয়ন লাভ কৰা হৈছে। অনলাইন পঞ্জীয়নৰ বাবে যোৱা মাহৰ ১৪ তাৰিখে মুকলি কৰা মাই গভ পোৰ্টেলটো চলিত মাহৰ ১৪ তাৰিখলৈ খোলা থাকিব। শিক্ষা মন্ত্ৰালয়ে জনায় যে পৰীক্ষা সম্পৰ্কীয় মানসিক চাপক শিক্ষণ আৰু উদযাপনৰ উৎসৱলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ধ্বজাবাহী কাৰ্যসূচী পৰীক্ষা পে চৰ্চাই দেশজোৰা আন্দোলন হিচাপে আগবাঢ়ি গৈছে। এই কৰ্যসূচীৰ ব্যাপক জনপ্ৰিয়তাই ছাত্ৰ-ছাত্ৰীৰ মানসিক সুস্থতা আৰু পৰীক্ষাৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলাৰ কথাই আলোকপাত কৰে।

oooooooo

বিজেপিয়ে আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে জাতিৰ ভিত্তিত জনসাধাৰণৰ মাজত বৈষম্যৰ সৃষ্টি কৰিছে বুলি অভিযোগ তোলে। নতুন দিল্লী বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰৱেশ বাৰ্মাই সাংবাদিকৰ আগত অভিযোগ উত্থাপন কৰি কয়, যে বিগত ১১ বছৰত আপ চৰকাৰে দিল্লী দেহাতৰ বাবে একোৱেই কৰা নাই। তেওঁ অৰবিন্দ কেজৰিৱালে খেতিয়কসকলক কেন্দ্ৰীয় চৰকাৰৰ পি এম কিষাণ নিধি আঁচনিৰ সুবিধাৰ পৰাও বঞ্চিত কৰা বুলি অভিযোগ তোলে।

oooooooo

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী দুৰ্গা দাস ইউকে আজি মিজোৰামত কয় যে উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ দ্ৰুত উন্নয়ন আৰু ইয়াৰ লোকসকলৰ প্ৰয়োজনীয়তা পূৰণৰ ক্ষেত্ৰত চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আইজলত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীইউকেই কয়, যে জনজাতীয় সম্প্ৰদায়ৰ সামগ্ৰিক উন্নয়ন আৰু সমৃদ্ধিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। দেশজুৰি একলব্য আদৰ্শ আৱাসিক বিদ্যালয় প্ৰতিষ্ঠাৰ জৰিয়তে সকলো জনজাতীয় শিক্ষাৰ্থীক মানসম্পন্ন শিক্ষা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

oooooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কয় যে আয় বৃদ্ধি আৰু সংস্থাপনৰ ক্ষেত্ৰত জৈৱিক কৃষি পদ্ধতি শক্তিশালী মাধ্যম হৈ পৰিছে। নতুন দিল্লীত আজি জৈৱিক উৎপাদনৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ অষ্টম সংস্কৰণ মুকলি কৰি তেওঁ কয়, যে জৈৱিক কৃষিৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধি হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বৰ্তমান জৈৱিক সামগ্ৰীৰ ৰপ্তানি মূল্য ৬ হাজাৰ কোটি টকা আৰু অহা ৩ বছৰত এই মূল্য ২০ হাজাৰ কোটিলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০০

কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি ভাৰতৰ শ্বাটলাৰ এইছ এছ্ প্ৰণয় চীনৰ লীচিফেঙৰ হাতত ৮-২১, ২১-১৫, ২১-২৩ৰ ব্যৱধানত পৰাজিত হয়। ইয়াৰ পূৰ্বে মহিলাৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো প্ৰতিযোগিতাৰ ১৬ ৰাউণ্ডত চীনৰ ঝাং ছুচিয়ান আৰু জিয়া ইফানৰ হাতত ২১-১৫, ১৮-২১, ১৯-২১ৰ ব্যৱধানত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। মহিলাৰ একক শাখাত আজি সন্ধিয়া ভাৰতৰ মালবিকা বানছোড়ে চীনৰ হান ইউৰ মুখামুখি হ'ব।

০০০০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল ২০২৪-২৫ত চেন্নাইত আজি সন্ধিয়া চাৰে ৭ বজাত ওড়িশাৰ বিৰুদ্ধে চেন্নাই এফ চি অৱতীৰ্ণ হ'ব। এই প্ৰতিযোগিতাত চেন্নাইয়ে ওড়িশাৰ বিৰুদ্ধে সফলতা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব, কিয়নো যোৱা বছৰ তেওঁলোকে ৩-২ গ'লত জয়লাভ কৰিছিল। ইপিনে, ওড়িশা এফ চিয়ে শেহতীয়াকৈ এফ চি গোৱাৰ বিৰুদ্ধে পৰাজয়বৰণ কৰাৰ পৰা উভতি আহিবলৈ চেষ্টা কৰিব।

০০০০০০০০

সমাপ্ত